অধ্যায় ১ ঃ অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ — ১

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ আখৰ

১.৩.১ ধ্বনি আৰু বৰ্ণ

১.৩.২ আখৰ, বৰ্ণ আৰু ধ্বনিৰ সম্পৰ্ক

১.৪ অসমীয়া ধ্বনি

১.৪.১ উপধ্বনি আৰু তাৰ শ্রেণীবিভাজন

১.৫ বিশিষ্ট ধ্বনি বা বৰ্ণ

১.৫.১ বিশিষ্ট স্বৰধ্বনি

১.৫.২ বিশিষ্ট ব্যঞ্জনধ্বনি

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ আখৰ, বৰ্ণ আৰু ধ্বনি সম্পৰ্কে অৱগত হ'ব
- অসমীয়া ভাষাৰ উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাৰ উপধ্বনিসমূহৰ বিষয়ে জানিব
- অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনিসমূহৰ জ্ঞান আহৰণ কৰিব।

১.২ পৰিচয়

এইটো ব্যৱহাৰিক অসমীয়া শীর্ষক আন্তঃবিভাগীয় পাঠ্যবিষয়টিৰ প্রথমটো অধ্যায়। ইয়াত আপুনি অসমীয়া ভাষাৰ ব্যাকৰণৰ দুটামান দিশ অধ্যয়ন কৰিব। মানুহে ভাষাৰ জৰিয়তে মনৰ ভাব প্রকাশ কৰে। কথা কওঁতে আমি আচলতে কিছুমান ধ্বনি শিকলিৰ দৰে এটাৰ পিছত আন এটা প্রণালীবদ্ধভাৱে লগাই যাওঁ। কথা শুনা যায়, দেখা নাযায়। কোৱা বা শুনা কথা দেখা কৰিবলৈ বা লিখি সংৰক্ষণ কৰিবলৈ আখৰ ব্যৱহাৰ কৰা হয়। ধ্বনি বা আখৰৰ দ্বাৰাই শব্দ, শব্দৰ

পৰাই বাক্য, বাক্যই 'কথা'। গতিকে ধ্বনি বা আখৰৰ জ্ঞানেই ভাষা শিক্ষাৰ প্ৰাথমিক আধাৰ। এই কথাৰ ওপৰত গুৰুত্ব দিয়েই এই অধ্যায়টো সজোৱা হৈছে। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি অসমীয়া ভাষাৰ আখৰ, ধ্বনি, বৰ্ণ আদিৰ ধাৰণা লাভ কৰিব।

১.৩ আখৰ

আখৰবোৰ আচলতে একোটা চিন। কথা কওঁতে আমি যিবোৰ শব্দ উচ্চাৰণ কৰোঁ, সেইবোৰ আমি শুনোহে, দেখা নাপাওঁ। যেনে অসমীয়াত 'কল', ইংৰাজীত Call। শুনোতাজনে শুনি শব্দ দুটাৰ মাজত কোনো পাৰ্থক্য বিচাৰি নাপাব। দুয়োটা শব্দতে যি তিনিটা ধ্বনি আছে সেই ধ্বনিকেইটা বুজাবলৈ অসমীয়াত 'ক-অ-ল' — এই তিনিটা আখৰ আৰু ইংৰাজীত 'C-a-l-l' এই চাৰিটা আখৰ লিখা হয়। গতিকে ভাষাক লিখিত ৰূপ দিবলৈ যিবোৰ চিহ্ন ব্যৱহাৰ কৰা হয় তাকে আখৰ বোলে। ভাষাভেদে আখৰবোৰ বেলেগ বেলেগ।

১.৩.১ ধ্বনি আৰু বৰ্ণ

ধ্বনি হ'ল ভাষাৰ আটাইতকৈ সৰু ভাগ। উদাহৰণস্বৰূপে, এই বাক্যটো — "মই ভাত খাম।" — বাক্যটো ভাঙিলে পাম— মই, ভাত, খাম — এই তিনিটা অংশ। এতিয়া প্ৰতিটো অংশ ভাঙিলে পাম —

মই ⟶ ম অ ই
ভাত ⟶ ভ আ ত
খাম ⟶ খ আ ম

এই প্ৰতিটোৱেই একোটা ধ্বনি।

মন কৰিব, ধ্বনিবোৰ দেখা নাযায়, শুনাহে যায়। "অ'ই" বুলি কোনোৱে চিঞৰিলে আমি চিঞৰটো শুনো; কিন্তু "অ'ই" চিঞৰটো নেদেখো। "অ'ই" বুলি চিঞৰোতে আচলতে দুটা ধ্বনি (অ' আৰু ই) একেলগে উচ্চাৰণ কৰিছে। গতিকে বুজা গ'ল — ধ্বনিবোৰ ভাষাৰ ক্ষুদ্ৰতম খণ্ড বা একক। ধ্বনিবোৰ শুনা যায়, কিন্তু দেখা নাযায়।

'ধ্বনি' হ'বলৈ হ'লে মানুহৰ মুখেৰে ই উচ্চাৰিত হ'ব লাগিব। কিন্তু মুখেৰে উচ্চাৰিত সকলোবোৰেই ধ্বনি নহয়। যেনে — সুহুৰি ধ্বনি নহয়। ধ্বনি হ'বলৈ কথাত ব্যৱহাৰ হ'ব লাগিব। ধ্বনিবোৰৰ দেখাত অৰ্থ নাই; কিন্তু ধ্বনিবোৰ প্ৰণালীবদ্ধভাৱে লগ লগাই কথা ক'লে অৰ্থ ওলায়। যেনে— খ, আ, ম — এই তিনিটা ধ্বনিয়ে সুকীয়াকৈ কোনো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। যদি তিনিওটা খ+আ+ম ক্ৰমত লগ লগাই উচ্চাৰণ কৰা হয়, তেতিয়া তাৰ অৰ্থ অসমীয়া ভাষী মানুহে বুজি পায়। সেয়ে ধ্বনিৰ অৰ্থ আছে বুলি ধৰা হয়। কিন্তু অসমীয়া ভাষা বুজি নোপোৱা জনৰ বাবে খ+আ+ম — এই ধ্বনিক্ৰমৰ কোনো অৰ্থ নোলায়। অৰ্থাৎ ধ্বনিৰ অৰ্থ ভাষাভেদে বেলেগ বেলেগ।

এইবাৰ মন কৰক, 'গল' মানে ডিঙি। 'গল' শব্দটো ভাঙিলে তিনিটা ধ্বনি পাম — গ+অ+ল। এতিয়া যদি মাজৰ ধ্বনিটো (অ) সলনি কৰি আ বহুৱাই দিওঁ, তেতিয়া পাম — গাল। অর্থাৎ 'অ'-ৰ ঠাইত 'আ' উচ্চাৰণ কৰিলে 'গল' শব্দটোৰ সলনি সুকীয়া অর্থ থকা 'গাল' শব্দ পালোঁ। এই অর্থৰ পৰিৱর্তন ঘটালে 'আ' ধ্বনিটোৱে। এনেদৰে অর্থৰ সলনি ঘটাব পৰা ধ্বনিবোৰেই বর্ণ। বর্ণৰ অন্য নাম বিশিষ্ট ধ্বনি।

আকৌ, 'দিন' আৰু 'দীন' শব্দ দুটা উচ্চাৰণ কৰিলে আমি একে শুনো। কাৰণ, দুয়োটা শব্দত একে কেইটা ধ্বনিয়েই লগ লাগিছে। দ+ই+ন=দিন আৰু দ+ঈ+ন=দীন। ইয়াত 'ই' ৰ সলনি 'ঈ' লিখিব পাৰোঁ, কিন্তু উচ্চাৰণ কৰিব নোৱাৰোঁ। মানে, দুয়ো ই/ঈ এটাই ধ্বনি। সেয়ে এটা বর্ণ। ই আৰু ঈ দুটা আখৰহে, ধ্বনি বা বর্ণ নহয়।

গতিকে, ধ্বনি হ'ল ভাষাৰ ক্ষুদ্রতম একক। এইবোৰ মুখেৰে উচ্চাৰিত হয়। ধ্বনিবোৰৰ ভাষাভেদে বেলেগ বেলেগকৈ অর্থ ধৰি লোৱা হয়। আনহাতে, বর্ণ হ'ল অর্থ পৰিৱর্তন ঘটাব পৰা ধ্বনি।

১.৩.২ আখৰ, ধ্বনি আৰু বর্ণৰ সম্পর্ক

ইতিমধ্যে কৰা আলোচনাৰ পৰা আপুনি এটা কথাৰ স্পষ্ট ধাৰণা লাভ কৰিলে যে— ধ্বনিবোৰ দেখা নাযায়, শুনাহে যায়। শুনিব পৰা ধ্বনিবোৰ বুজাবলৈ ভাষাভেদে বেলেগ বেলেগ প্রতীক বা চিন ব্যৱহাৰ কৰা হয়; এই চিনবোৰকে আখৰ বোলে।

কেতিয়াবা এটা আখৰে কেবাটাও ধ্বনি বুজাব পাৰে। যেনে — গল আৰু গ'ল — শব্দ দুটা মন কৰক।

গল=গ+অ+ল; গ'ল=গ+অ'+ল

অর্থাৎ, অসমীয়া ভাষাৰ অ আখৰটোৱে অ আৰু অ' — দুটা ধ্বনি বুজাব পাৰে। ইংৰাজী ভাষাত Man আৰু Call শব্দ দুটাত 'a' ৰ উচ্চাৰণ মন কৰক। Man শব্দত a ৰ উচ্চাৰণ এ - ৰ দৰে। কিন্তু Call শব্দৰ a ৰ উচ্চাৰণ অ-ৰ দৰে। আকৌ, পূর্বতে পাই অহা উদাহৰণ, দিন (দ+ই+ন) আৰু দীন (দ+ঈ+ন) শব্দ দুটা শুনাত পার্থক্য নাই। কাৰণ, ই আৰু ঈ আখৰ দুটাই এটা ধ্বনিকে বুজাইছে।

গতিকে, আখৰ ব্যৱহাৰ হয় ভাষাৰ লিখিত ৰূপত, ধ্বনি ব্যৱহাৰ হয় কথিত ৰূপত বা ভাষা কওঁতে। ধ্বনি বা বর্ণৰ লিখিত ৰূপটোকে আখৰ বোলে। গতিকে আখৰবোৰে একোটা ধ্বনি বা বর্ণৰে প্রতিনিধিত্ব কৰে। সেইবাবে সংস্কৃতৰ বর্ণ বুজোৱা আখৰৰ তালিকাখনক বর্ণমালা বোলে। একেদৰে অসমীয়াটো আখৰৰ তালিকাক বর্ণমালাই বোলা হয়।

সংস্কৃত ভাষাত প্রতিটো বর্ণ বুজাবলৈ একোটা আখৰ আছে। যেনে, দন্ত্য-ত, মূর্ধন্য-ট। সংস্কৃতত ত আৰু ট-ৰ উচ্চাৰণ বেলেগ বেলেগ। অসমীয়াত কিন্তু দুয়োটাৰে

উচ্চাৰণ একে। সংস্কৃত ভাষাৰ আখৰৰ তালিকাখনক বৰ্ণমালা বুলি কোৱা কথাটো ইতিমধ্যেই কৈ অহা হৈছে। অসমীয়া ভাষা সংস্কৃতৰ পৰাই বিকাশ হোৱা বাবে অসমীয়া ভাষাৰো ধ্বনিসমূহ বুজাবলৈ ব্যৱহাৰ কৰা আখৰবোৰৰ তালিকাক বৰ্ণমালা বুলিয়েই কয়। কিন্তু সকলো আখৰৰ বাবে অসমীয়া ভাষাত বৰ্ণ/ধ্বনি নাই। যেনে — ই আৰু ঈ আখৰ বুজোৱা ধ্বনি এটাহে। দুটা ঈ/ই অসমীয়াত উচ্চাৰণ নহয়। গতিকে, বৰ্ণ মানে আখৰ বুলি ভুল কৰিব নালাগে। বৰ্ণৰ সম্পৰ্ক ধ্বনিৰ লগতহে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ধ্বনি বুলিলে কি বুজে?

.....

.....

১.৪ অসমীয়া ধ্বনি

অসমীয়া ভাষাত উচ্চাৰিত ধ্বনিবোৰক বহলভাৱে দুটা ভাগত ভগাব পাৰি — ক) স্বৰধ্বনি খ) ব্যঞ্জনধ্বনি

আমি ধ্বনি উচ্চাৰণ কৰোঁতে হাওঁফাওঁৰ পৰা বতাহ মুখেৰে (কেতিয়াবা নাকেৰেও) উলিয়াই দিওঁ। এই বতাহ ওলাই আহোঁতে ডিঙিৰ পৰা ওঁঠলৈকে বিভিন্ন স্থানত কেতিয়াবা বাধা দিয়া হয়, কেতিয়াবা বায়ুৰ পথটো ডাঙৰ-সৰু, বা একা-বেঁকা কৰা হয়। সেয়ে বেলেগ বেলেগ ধ্বনি শুনিবলৈ পাওঁ। যেনে — 'প' ধ্বনি উচ্চাৰণ কৰোঁতে ওঁঠ দুখনে বায়ুপ্ৰৱাহ বাধা দি আকৌ এৰি দিছে। 'ত' ধ্বনি উচ্চাৰণ কৰোঁতে জিভাৰ আগটোৱে দাঁতৰ গুৰিত খুন্দিয়াই বায়ুপ্ৰৱাহক কিছুসময়ৰ বাবে বাধা দিছে। কিন্তু, অ বা আ উচ্চাৰণ কৰোঁতে ক'তো বাধা দিয়া নাই। বাধা দিয়া নাই যদিও বায়ুপ্ৰৱাহৰ বাটটো ডাঙৰ-সৰু কৰিছে। গতিকে—যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহক ক'তো বাধা দিয়া নহয় সেইবোৰেই স্বৰধ্বনি। স্বৰধ্বনিৰ উচ্চাৰণত জিভাখন কোনো ক্ষেত্ৰত কমকৈ ওপৰলৈ উঠে, কোনো ক্ষেত্ৰত বেছিকৈ ওপৰলৈ উঠে, কিন্তু বায়ু ওলোৱা বাট বন্ধ নকৰে। স্বৰধ্বনিৰ উচ্চাৰণত ওঁঠ দুখনো কেতিয়াবা দুই কাষৰ পৰা কাষ চাপি প্ৰায় ঘূৰণীয়া আকৃতি লয়, (যেনে— উ উচ্চাৰণত) কেতিয়াবা দুই কাষ মেল খাই দীঘলীয়া আকৃতি লয় (যেনে— এ উচ্চাৰণত)।

অসমীয়া ভাষাত স্বৰধ্বনি আঠোটা — অ, অ', আ, ই, উ, এ, এ' আৰু ও। স্বৰধ্বনিবোৰ বাধা নিদিয়াকৈ উচ্চাৰণ কৰা হয় বাবে এইবোৰক প্ৰৱাহ ধ্বনি বোলে। কিন্তু বৰ্ণমালাখনত ১১ টা আখৰ আছে। গোটেই কেইটা আখৰ উচ্চাৰণ কৰিব নোৱাৰি।

যিবোৰ ধ্বনি উচ্চাৰণত বায়ুপ্ৰৱাহক ডিঙি, তালু, দাঁত, ওঁঠ আদি বিভিন্ন স্থানত বাধা দিয়া হয়, সেইবোৰেই ব্যঞ্জনধ্বনি। ডিঙিত বাধা দি উচ্চাৰণ কৰা ধ্বনিক কণ্ঠ্যধ্বনি বোলে, যেনে

— হ। তালুৰ পাছ অংশ, মাজ অংশ আৰু আগ অংশত বাধা দি উচ্চাৰণ কৰা ব্যঞ্জনধ্বনিবোৰক ক্ৰমে পশ্চতালব্য, মূৰ্ধন্য আৰু তালব্য ধ্বনি বোলে। যেনে— অসমীয়া ভাষাত ক, খ পশ্চতালব্য ধ্বনি; সংস্কৃত ভাষাত ণ, ট মূৰ্ধন্য ধ্বনি আৰু শ তালব্য ধ্বনি।

দাঁতৰ গুৰিত বাধা দি উচ্চাৰণ কৰা ধ্বনি দন্তমূলীয়; যেনে— অসমীয়া ত, দ। দাঁতত জিভাখন লাগি বাধা দি উচ্চাৰণ কৰা ধ্বনি দন্ত্যধ্বনি। যেনে— সংস্কৃত ভাষাৰ ত, থ ইত্যাদি। আৰু ওঁঠত বাধা দিয়া ধ্বনিবোৰ ঔষ্ঠ্যধ্বনি (প, ফ আদি)।

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিবোৰ হ'ল —

ক	খ	গ	ঘ	ঙ
ত	থ	দ	ধ	ন
প	ফ	ব	ভ	ম
চ	জ	স	হ	
ৰ	ল			

এই ২১-টাই অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি। অসমীয়া ভাষাৰ ব্যঞ্জন বৰ্ণমালাখনত ৪১ টা আখৰ আছে যদিও ধ্বনি হিচাপে উচ্চাৰিত হয় কেৱল ২১ টা বৰ্ণহে। ৰ আৰু য় -ৰ উচ্চাৰণ স্বৰধ্বনিৰ দৰেও নহয় ব্যঞ্জনধ্বনিৰ দৰেও নহয়। অৰ্থাৎ ইহঁতৰ উচ্চাৰণত ব্যঞ্জনধ্বনিৰ সমান বাধা নপৰে, বা স্বৰধ্বনিৰ দৰে বাধাহীনো নহয়। সেয়ে ইহঁতক অৰ্ধস্বৰ বা অৰ্ধব্যঞ্জন বোলা হয়।

১.৪.১ উপধ্বনি আৰু তাৰ শ্ৰেণীবিভাজন

একেটা ধ্বনিয়ে অৱস্থান আৰু পৰিৱেশ ভেদে কিছু ধ্বনিগত পৰিৱৰ্তন হৈ ব্যৱহাৰ হয়। সেই সামান্য পৰিৱৰ্তিত ৰূপবোৰকে ধ্বনিটোৰ উপধ্বনি বোলা হয়। আন কথাত ক'বলৈ হ'লে কেতিয়াবা এটা বিশিষ্ট ধ্বনিক দুটা বা ততোধিক ধ্বনিয়ে প্ৰতিনিধিত্ব কৰে (বিশিষ্ট ধ্বনি সম্পৰ্কে তলৰ উপশাখাটোত বহলাই আলোচনা কৰা হ'ব) তেতিয়া সেই ধ্বনি ৰূপবোৰক বিশিষ্ট ধ্বনিটোৰ উপধ্বনি বোলা হয়। এই উপধ্বনিবিলাকৰ মাজত ধ্বনিগত সাদৃশ্য থাকে। আৰু উপধ্বনিসমূহৰ মাজত পৰিপূৰক প্ৰয়োগহে হয়; অৰ্থাৎ কোনোবাটো উপধ্বনি যদি আদ্য অৱস্থানত প্ৰয়োগ, আনটো কেৱল মধ্য আৰু অন্ত্য অৱস্থানতহে প্ৰয়োগ হ'ব। উপধ্বনিসমূহৰ মাজত যিটোৰ প্ৰয়োগ বিস্তৃত, সেইটোক বিশিষ্ট ধ্বনিৰ মৰ্যাদা দিয়া হয়। সেয়ে উপধ্বনিবোৰৰ আলোচনাৰ মূল দিশ দুটা— (ক) বৰ্ণনা আৰু (খ) প্ৰয়োগ।

অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিৰ উপধ্বনি সম্পৰ্কে ভাষাবিদ গোলোকচন্দ্ৰ গোস্বামীয়ে তেওঁ *Structure of Assamese* গ্ৰন্থখনত বিস্তৃতভাৱে আলোচনা কৰিছে। পৰৱৰ্তী সময়ত ড° দীপংকৰ মৰলে *ব্যৱহাৰিক ধ্বনি বিজ্ঞান* নামৰ গ্ৰন্থখনত অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে।

মন কৰিবলগীয়া যে এনে প্ৰয়োগ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনি উভয় ক্ষেত্ৰতে দেখা যায়। উদাহৰণস্বৰূপে — অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি /t/ (ত)-ৰ তিনিটা উপধ্বনি পোৱা যায়। সেই কেইটা হ'ল—

- ত, ম, ৰ, খ, ক আদি ধ্বনিৰ লগত সংযুক্ত হৈ থাকিলে 'ত' ৰ উচ্চাৰণ অঘোষ দন্তমূলীয় অল্পপ্ৰাণ মুক্ত ধ্বনি ৰূপে হয়। যেনে— উৎসৱ, আত্মা, পবিত্ৰাণ ইত্যাদি।
- 'ৰ' ৰ পৰৱৰ্তী স্থানত থকা 'ত' ধ্বনি অঘোষ পশ্চদন্তমূলীয় অল্পপ্ৰাণ মুক্ত ধ্বনি হিচাপে উচ্চাৰণ হয়। যেনে— কৰ্তা, বৰ্তমান ইত্যাদি।
- ইয়াৰ বাহিৰে সকলো ক্ষেত্ৰতে 'ত' ধ্বনি দন্তমূলীয় অল্পপ্ৰাণ মুক্ত হিচাপেই উচ্চাৰিত হয়।

ঠিক সেইদৰে অসমীয়া বিশিষ্ট স্বৰধ্বনি /o/ (ও)-ৰো তিনিটা উপধ্বনি পোৱা যায় —

- মূলীয় ***সংবৃতৌষ্ঠ্য*** উচ্চ-মধ্য স্বৰধ্বনি শব্দৰ সকলো স্থানৰ প্ৰয়োগ পোৱা যায়। যেনে— ওমলা, জনোৱা, খালো।
- একাক্ষৰী শব্দসমূহত প্ৰয়োগ হয়। যেনে— খোল। k^h[o:]l
- আসন্ন পূৰ্ববৰ্ণ ***নাসিক্য*** হ'লে প্ৰয়োগ হয়। যেনে— মোমাই।

এই বিষয়ে আপুনি উচ্চতৰ পৰ্যায়তহে বহলাই অধ্যয়ন কৰিব পাৰিব। ইয়াত কেৱল সামগ্ৰিক ধাৰণা এটিহে প্ৰদান কৰি যোৱা হ'ল।



সংবৃতৌষ্ঠ ঃ যি বোৰ ধ্বনি উচ্চাৰণ কৰোতে ওঁঠ দুটা গোলাকাৰ হয় তাকে সংবৃতৌষ্ঠ্য ধ্বনি বোলা হয়।

নাসিক্য ঃ হাঁওফাঁওৰ পৰা ওলাই অহা বতাহৰ প্ৰৱাহক মুখবিবৰৰ কোনো স্থানত সম্পূৰ্ণৰূপে ৰোধ কৰি পিছত নাসিকা বিবৰেৰে ওলাই আহিবলৈ দিলে যি ধ্বনিৰ সৃষ্টি হয়, তাক নাসিক্য ধ্বনি বোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ উপধ্বনি মানে কি?

.....

.....

১.৫ বিশিষ্ট ধ্বনি বা বৰ্ণ

যিবোৰ ধ্বনিৰ উচ্চাৰণ স্পষ্ট; বক্তা আৰু শ্ৰোতাৰ কাণত বাজি উঠে সেইবোৰক বিশিষ্ট ধ্বনি বোলে। বিশিষ্ট ধ্বনিবোৰ একোটা গোট (Unit); এনে ধ্বনিগোটত এটা বা একাধিক ধ্বনি সন্নিৱিষ্ট হৈ বা লুকাই থাকে। বিশিষ্ট ধ্বনিৰ শব্দ পৃথক কৰিব পৰা ক্ষমতা থাকে। দুটা ধ্বনিৰ প্ৰয়োগত যদি বিৰোধ ঘটে অৰ্থাৎ অভিন্ন পৰিৱেশত এটাৰ ঠাইত আনটো বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ বিশিষ্ট ধ্বনি। যেনে —

কাল — ক - আ - ল

খাল — খ - আ - ল

ইয়াত আদ্যস্থানত থকা ক ধ্বনিৰ সলনি খ ধ্বনি ব্যৱহাৰ কৰা হৈছে অভিন্ন পৰিৱেশত। ফলত যি দুটা শব্দ পোৱা গ'ল সেয়া সম্পূৰ্ণ পৃথক অৰ্থযুক্ত শব্দ। সেয়ে অসমীয়াৰ ক আৰু খ বিশিষ্ট ধ্বনি।

বিশিষ্ট ধ্বনিৰে অন্য নাম বর্ণ। গোলোক চন্দ্র গোস্বামীয়ে বিশিষ্ট ধ্বনি বুজাবলৈ 'বর্ণ' শব্দৰ প্রয়োগ কৰে আৰু 'বর্ণ' আৰু 'আখৰ'ৰ মাজত ভেদ প্রতিষ্ঠা কৰিবলৈ যত্ন কৰে। আখৰ হ'ল বর্ণ বা বিশিষ্ট ধ্বনিৰ দৃশ্যমান প্রতীক। আখৰ আৰু বর্ণ সমার্থক নহয়। অসমীয়া ভাষাৰ স্বৰবর্ণ আৰু ব্যঞ্জনবর্ণত থকা আখৰৰ তুলনাত বর্ণ বা বিশিষ্ট ধ্বনিৰ সংখ্যা আপেক্ষিকভাৱে কম।



জানি থোৱা ভাল

ইংৰাজী Phoneme শব্দটোৰ পৰিভাষা হিচাপে অসমীয়াত 'বিশিষ্ট ধ্বনি' শব্দটো ব্যৱহাৰ কৰা হয়। এই শব্দটো ১৮৭৬ খ্রীষ্টাব্দত ফৰাচী ভাষাতত্ত্ববিদ লুই আভে (Lauis Havet)ই আৱিষ্কাৰ কৰে । তেওঁ অৱশ্যে 'বাগধ্বনি' অর্থতেই শব্দটো ব্যৱহাৰ কৰিছিল। সুস্পষ্টভাৱে বিশিষ্ট ধ্বনিৰ অর্থত শব্দটোৰ প্রথম ব্যৱহাৰ কৰে পোলিচ ভাষাবিজ্ঞানী বোদুআঁ দি কুর্ত্যনে (Jan Baudouin de courtenay)।

এতিয়া আন এটা উদাহৰণ গ্রহণ কৰা যাওক —

১) ভাল — ভ +আ +ল

২) লাভ — ল +আ +ভ

প্রথম শব্দটোত 'ভ' ধ্বনিৰ উচ্চাৰণ যেনেদৰে হৈছে দ্বিতীয়টোত কিন্তু তেনেদৰে হোৱা নাই বা নোৱাৰি। অর্থাৎ প্রথম শব্দৰ ভ-ৰ উচ্চাৰণ সদায় শব্দৰ আদি স্থানত আৰু দ্বিতীয় শব্দৰ ভ-ৰ উচ্চাৰণ শব্দৰ অন্ত্যস্থানতহে হয়। এটাৰ ঠাইত আনটো বহুৱাব নোৱাৰি। সেয়ে দুয়োটা 'ভ' ধ্বনিৰ মাজত বিৰোধৰ প্রশ্নই নাহে। গতিকে দুয়োটা পৃথক বিশিষ্ট ধ্বনি নহয়। এনে প্রয়োগক পৰিপূৰক প্রয়োগ বোলে। পৰিপূৰক প্রয়োগ হোৱা ধ্বনিবোৰক এটা বিশিষ্ট ধ্বনিৰে উপধ্বনি বোলা হয়। ধ্বনি এটাৰ আগে পাছে কি ধ্বনি আছে, সেয়েই ধ্বনিটোৰ পৰিৱেশ। পৰিপূৰক প্রয়োগৰ ক্ষেত্রত এই পৰিৱেশৰ গুৰুত্ব সর্বাধিক। কোনো ধ্বনি (উপধ্বনি) শব্দৰ শেষত/বা আদিত/বা মধ্যত বহে। কোনো ধ্বনি (উপধ্বনি)আকৌ 'ৰ'-ৰ পিছতহে উচ্চাৰিত হয়, ইত্যাদি। বিশিষ্ট ধ্বনি বুজাবলৈ //চিন আৰু উপধ্বনি বুজাবলৈ [ ] চিন ব্যৱহাৰ কৰা হয়। তলত অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি সম্পর্কে চমুকৈ আলোচনা কৰা হ'ল।

১.৫.১ বিশিষ্ট স্বৰধ্বনি

অসমীয়া ভাষাত আঠোটা বিশিষ্ট স্বৰধ্বনি আছে। সেই কেইটা হ'ল — ই, এ, এ', আ, উ, ও, অ', অ। স্বৰধ্বনিৰ উচ্চাৰণত মুখবিবৰৰ জিভা আৰু ওঁঠ দুয়োটাৰে সংকোচন আৰু প্রসাৰণ ঘটে। জিভাৰ অংশ অনুযায়ী সিহঁতক সন্মুখ, কেন্দ্রীয়, আৰু পশ্চ — এই তিনিটা ভাগত ভগাব পাৰি। জিভাৰ আগভাগ ওপৰলৈ উঠাৰ ফলত সৃষ্টি

হোৱা ধ্বনিক সন্মুখ স্বৰধ্বনি, জিভাৰ মাজ অংশ ওপৰলৈ উঠাৰ ফলত সৃষ্টি হোৱা ধ্বনিক কেন্দ্রীয় স্বৰধ্বনি আৰু জিভাৰ পিছ অংশ ওপৰলৈ দাং খোৱাৰ ফলত সৃষ্টি হোৱা ধ্বনিক পশ্চ স্বৰধ্বনি বোলা হয়।

জিভাৰ উচ্চতা অনুযায়ী স্বৰধ্বনিক উচ্চ, উচ্চমধ্য, নিম্নমধ্য আৰু নিম্ন — এই চাৰিটা ভাগত ভগাব পাৰি। আকৌ ওঁঠ দুটাৰ আকৃতিৰ সংকোচন আৰু প্রসাৰণ অনুসৰি স্বৰধ্বনিৰ ভাগ দুটা — বিবৃতৌষ্ঠ্য আৰু সংবৃতৌষ্ঠ্য। সন্মুখ আৰু কেন্দ্রীয় স্বৰৰ উচ্চাৰণত ওঁঠ দুটা মেল খায় বাবে ইহঁতক বিবৃতৌষ্ঠ্য আৰু পশ্চ স্বৰধ্বনিৰ উচ্চাৰণত ওঁঠ দুটা গোলাকাৰ হয় বাবে ইয়াক সংবৃতৌষ্ঠ্য ধ্বনি বোলা হয়।

পশ্চ স্বৰধ্বনিবোৰ ***কুঞ্চিত*** আৰু সন্মুখ আৰু কেন্দ্রীয় স্বৰধ্বনিবোৰ ***প্রসৃত***। স্বৰৰ অনুনাসিকতাও অসমীয়াত বিশিষ্ট ধ্বনি। কাৰণ একে ধ্বনি সমষ্টিৰ স্বৰধ্বনিটো অনুনাসিক হ'লে অর্থটোৰ পার্থক্যই দেখা দিয়ে। যেনে — কাহ (কাহ উঠা); কাঁহ (কাঁহৰ বাচন)।

অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰৰ ব্যৱহাৰ তলৰ উদাহৰণৰ পৰা বুজা যাব —

/ অ / তল, মল
/ আ/ তাল, মাল
/ ই / তিল, মিল
/ উ / বুল, (বাট বুল)
/ এ'/ বে'ল, (স্কুল বা কলেজৰ)
/ এ / বেল, (গছৰ ফল)
/ অ' / ব'ল,
/ ও / বোল, (মাত-বোল, ৰং দিয়া)

জিভাৰ অংশ, জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুসৰি বিশিষ্ট স্বৰধ্বনিসমূহ স্পষ্টভাৱে জানিবৰ বাবে তলত এখন তালিকা প্রস্তুত কৰা হ'ল —

তালিকা ১.১ ঃ জিভাৰ অংশ, জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুসৰি বিশিষ্ট স্বৰধ্বনিসমূহ

	ওঁঠৰ আকৃতি অনুসৰি	বিবৃতৌষ্ঠ্য		সংবৃতৌষ্ঠ্য
	জিভাৰ অংশ অনুসৰি	সন্মুখ / প্রান্তীয়	কেন্দ্রীয়	পশ্চ/মূলীয়
জিভাৰ উচ্চতা অনুসৰি	উচ্চ	ই		উ
	উচ্চমধ্য বা মধ্যসম	এ'		ও
	নিম্নমধ্য বা মধ্যভাগ	এ		অ'
	নিম্ন		আ	অ

কুঞ্চিত ঃ যিবিলাক স্বৰধ্বনি উচ্চাৰণৰ সময়ত ওঁঠ দুটা ঘূৰ খায়, সেই বোৰক কুঞ্চিত স্বৰধ্বনি বোলা হয়। যেনে — উ, ও, অ', অ।

প্রসৃত ঃ যিবিলাক স্বৰধ্বনি উচ্চাৰণৰ সময়ত ওঁঠ দুটা বহল হৈ উচ্চাৰিত হয় তাক প্রসৃত স্বৰধ্বনি বোলা হয়। যেনে— ই, এ', এ, আ।

লিখোঁতে সংস্কৃতৰ বৰ্ণমালাৰ অনুকৰণত অসমীয়াত বহুতো আখৰ ব্যৱহাৰ কৰা হয় যদিও সেই আটাইবোৰৰ ধ্বনি গুণ অসমীয়াত নাই। উদাহৰণস্বৰূপে — সংস্কৃতৰ 'ঋ' ধ্বনি অসমীয়াত 'ৰি' ৰূপেহে উচ্চাৰিত হয়। যেনে — সংস্কৃতৰ 'ঋষি' অসমীয়াত 'ৰিসি' ৰূপে উচ্চাৰিত হয়। অসমীয়াত 'ই' আৰু 'ঈ', 'উ' আৰু 'ঊ' ৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণো নাই। ইয়াৰ বিপৰীতে অসমীয়াত অ' আৰু এ' এই বিশিষ্ট ধ্বনি দুটা বুজাবলৈ বেলেগ আখৰ নাই। সেয়ে অ-ৰ পৰা অ'-ক আৰু এ-ৰ পৰা এ'-ক বেলেগ দেখুৱাবলৈ সাধাৰণতে ওপৰত উৰ্ধকমা (') এটা দি বুজোৱা হয়। যেনে — বল/ ব'ল, বেল/ বে'ল ইত্যাদি।

অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰ বিভিন্ন আখৰেৰে কেনেদৰে বুজোৱা হয় তলত দেখুওৱা হ'ল—

বিশিষ্ট স্বৰধ্বনি	অসমীয়া আখৰ আৰু মাত্ৰা	
/অ/	অ	
/আ/	আ	(া)
/ ই/	ই, ঈ	(ি, ী)
/ উ/	উ, ঊ	(ু , ূ)
/এ/	এ	(ে-)
/এ'/	এ	(ে-)
/অ'/	অ	(')
/ও/	ও	(ো)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা?

.....

প্ৰশ্ন নং ৪ ঃ 'ঋ' অসমীয়াৰ বিশিষ্ট স্বৰধ্বনি হয়নে?

.....

১.৫.২ বিশিষ্ট ব্যঞ্জনধ্বনি

কোনো কোনো ভাষাবিদে অসমীয়া মান্যভাষাত একৈশটা বিশিষ্ট ব্যঞ্জনধ্বনি আছে বুলি কৈছে। কিন্তু কোনো কোনো ভাষাবিদে আকৌ 'ৱ' আৰু 'য়' কো বিশিষ্ট ব্যঞ্জন বুলি কয়। এই দুটা ধ্বনিক বিশিষ্ট ধ্বনি হিচাপে বিবেচিত কৰিলে মুঠ ২৩ টা বিশিষ্ট ব্যঞ্জনধ্বনি পোৱা যায়। এই বিশিষ্ট ব্যঞ্জনধ্বনিৰ ভিতৰত বাৰটা (১২) স্পৰ্শ ধ্বনি, তিনিটা নাসিক্য ধ্বনি, এটা পাৰ্শ্বিক ধ্বনি, এটা কম্পিত ধ্বনি, চাৰিটা

উষ্ম ধ্বনি আৰু দুটা অন্তঃস্থ ধ্বনি। বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা হ'ল — ক, খ, গ, ঘ, ঙ, চ, জ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, স, হ, ৱ, য়। ইয়াৰে 'ঙ', 'ৱ' আৰু 'য়' এই বর্ণ কেইটা শব্দৰ আদিত ব্যৱহাৰ নহয়। অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিসমূহক অসমীয়া বিভিন্ন আখৰেৰে কেনেদৰে বুজোৱা হয় তলত দেখুওৱা হ'ল—

বিশিষ্ট ব্যঞ্জনধ্বনি	**প্রতিনিধিত্ব কৰা অসমীয়া আখৰ**
/ক/	ক
/খ/	খ, ক্ষ (= ক্‌ষ)
/গ/	গ
/ঘ/	ঘ
/ঙ/	ঙ, ং
/চ/	চ, ছ (শ, ষ, স)
/জ/	জ, ঝ, য, হ্য
/ত/	ত, ট, ৎ
/থ/	থ, ঠ
/দ/	দ, ড
/ধ/	ধ, ঢ
/ন/	ন, ণ
/প/	প
/ফ/	ফ
/ব/	ব
/ভ/	ভ
/ম/	ম
/ৰ/	ৰ
/ল/	ল
/স/	শ, ষ, স
/হ/	হ, ঃ
/ৱ/	ৱ
/য়/	য়

লিখোঁতে সংস্কৃতৰ বর্ণমালাৰ অনুকৰণত অসমীয়াত বহুতো আখৰ ব্যৱহাৰ কৰা হয় যদিও সেই আটাইবোৰৰ ধ্বনি গুণ অসমীয়াত নাই। উদাহৰণস্বৰূপে কিছুমান শব্দ অসমীয়াত 'ঢ়' আখৰেৰে লিখা হয়। উচ্চাৰণত হ'লে সেইবোৰক 'ৰ' নাইবা

'ৰ' আৰু 'হ'ক সংযুক্ত কৰি উচ্চাৰণ কৰা শুনা যায়; যেনে 'বুঢ়া' শব্দটো বুৰা বা বুর্হা (বুৰ্হা) হৈ উচ্চাৰিত হয়। সেইদৰে ভূএঞা, কেএঞা আদি কেইটামান শব্দত ব্যৱহাৰ হোৱা 'ঞ'ৰো উচ্চাৰণ 'ইঁ'হে হয়। আন ব্যঞ্জনধ্বনিৰ লগত যুক্ত 'ঞ'টোৱে 'ন'ৰ ৰূপ লয়; যেনে —বাঞ্ছা —শব্দ অসমীয়াত বান্‌চা হৈ উচ্চাৰিত হয়। সংস্কৃতৰ 'য়' ধ্বনিটো অসমীয়া শব্দৰ আৰম্ভণিত 'জ' ৰূপে আৰু আন ঠাইত 'ই' ৰূপে উচ্চাৰিত হয়; যেনে — সংস্কৃতৰ যোগ, জয় আদি শব্দ অসমীয়াত জোগ, জই ৰূপেহে উচ্চাৰিত হয়।

উল্লেখযোগ্য যে অসমীয়া য়, ৰ, ঙ — এই তিনিটাৰ বাহিৰে সকলোবোৰ বর্ণৰে আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধ পোৱা যায়। তলত ৰ, য় আৰু ঙ — ভিন্ন সকলোবোৰ ব্যঞ্জনৰ আদ্য অৱস্থানৰ বিৰোধৰ উদাহৰণ দিয়া হ'ল —

প - /প আত/ পাত, পাট
ফ - /ফ আত/ ফাট
ব - /ব আত/ বাট
ভ - /ভ আত/ ভাত,
ত - /ত আক/ তাক
থ - /থ আক/ থাক
দ - /দ আক/ ডাক
ধ - /ধ আক/ ঢাক
ক - /ক আত/ কাট
খ - /খ আত/ খাট
গ - /গ আত/ গাত
ঘ - /ঘ আত/ ঘাট
চ - /চ আত/ চাট, ছাটি
জ - /জ আত/ জাত
স - /স আত/ সাত
হ - /হ আত/ হাট, হাত
ম - /ম আত/ মাত
ন - /ন আত/ নাট
ৰ - /ৰ আখ/ ৰাখ
ল - /ল আখ/ লাখ

উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি —

তালিকা ১.২ ঃ জিভাৰ অংশ, জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুসৰি বিশিষ্ট ব্যঞ্জনধ্বনিসমূহ

	উচ্চাৰণ স্থান	ওষ্ঠ্য		দন্তমূলীয়		তালব্য		পশ্চ-তালব্য		কণ্ঠ-নালীয়/ কণ্ঠ্য	
	উচ্চাৰণৰ ধৰণ	অঘোষ	সঘোষ	অঘোষ	সঘোষ	অঘোষ	সঘোষ	অঘোষ	সঘোষ	অঘোষ	সঘোষ
নিয়ত	স্পর্শ ধ্বনি										
	অল্পপ্রাণ	প	ব	ত	দ			ক	গ		
	মহাপ্রাণ	ফ	ভ	থ	ধ			খ	ঘ		
নিয়ত নিয়ত	নাসিক্য		ম		ন				ঙ		
অনিয়ত	পার্শ্বিক			ল							
	কম্পিত			ৰ							
	উষ্মধ্বনি			চ	জ			স(X)			হ
	অন্তঃস্থ বা অর্ধস্বৰ		ৰ				য়				

ইয়াত অসমীয়া বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি সম্পর্কে কেৱল সম্যক ধাৰণাহে প্রদান কৰি যোৱা হ'ল। এই বিষয়ে আপুনি উচ্চতৰ পর্যায়তহে বহলাই অধ্যয়ন কৰিব পাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়াত মুঠতে কেইটা ব্যঞ্জনবর্ণ (বিশিষ্ট ব্যঞ্জন) পোৱা যায়?

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আখৰবোৰ আচলতে একোটা চিন। কথা কওঁতে আমি যিবোৰ শব্দ উচ্চাৰণ কৰোঁ, সেইবোৰ আমি শুনোহে, দেখা নাপাওঁ।

- আখৰ ব্যৱহাৰ হয় ভাষাৰ লিখিত ৰূপত, ধ্বনি ব্যৱহাৰ হয় কথিত ৰূপত বা ভাষা কওঁতে। ধ্বনি বা বৰ্ণবোৰকে লিখিত ৰূপ দিলে আখৰ বোলে। গতিকে আখৰবোৰে একোটা ধ্বনি বা বৰ্ণৰে প্ৰতিনিধিত্ব কৰে।
- অসমীয়া ভাষাৰ উচ্চাৰিত ধ্বনিবোৰক বহলভাৱে দুটা ভাগত ভগাব পাৰি — ক) স্বৰধ্বনি খ) ব্যঞ্জনধ্বনি। যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহক ক'তো বাধা দিয়া নহয় সেইবোৰেই স্বৰধ্বনি। যিবোৰ ধ্বনি উচ্চাৰণত বায়ুপ্ৰৱাহক ডিঙি, তালু, দাঁত, ওঁঠ আদি বিভিন্ন স্থানত বাধা দিয়া হয়, সেইবোৰেই ব্যঞ্জনধ্বনি। একেটা ধ্বনিয়ে অৱস্থান আৰু পৰিৱেশ ভেদে কিছু ধ্বনিগত পৰিৱৰ্তন হৈ ব্যৱহাৰ হয়। সেই সামান্য পৰিৱৰ্তিত ৰূপবোৰকে ধ্বনিটোৰ উপধ্বনি বোলা হয়।
- যিবোৰ ধ্বনিৰ উচ্চাৰণ স্পষ্ট; বক্তা আৰু শ্ৰোতাৰ কাণত বাজি উঠে সেইবোৰক বিশিষ্ট ধ্বনি বোলে। বিশিষ্ট ধ্বনিবোৰ একোটা গোট; এনে ধ্বনিগোটত এটা বা একাধিক ধ্বনি সন্নিৱিষ্ট হৈ বা লুকাই থাকে। বিশিষ্ট ধ্বনিৰ শব্দ পৃথক কৰিব পৰা ক্ষমতা থাকে। অসমীয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জন বৰ্ণমালাখনত আখৰৰ সংখ্যা বেছি আছে যদিও অসমীয়া বিশিষ্ট স্বৰধ্বনি ৮ টা আৰু অন্তঃস্থ ধ্বনি ৰ আৰু য়-অক ধৰি ২৩টা বিশিষ্ট ব্যঞ্জন ধ্বনি আছে। অধ্যায়টোত এই দিশটোৰ বিষয়ে চমুকৈ আলোচনা দাঙি ধৰা হ'ল।



১.৭ অধিক জানিবলৈ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৫) গোস্বামী, গোলোকচন্দ্ৰ (২০০৮); *ধ্বনিবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৭) মৱল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

৮) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মানুহে ভাষা কওঁতে অর্থাৎ মনৰ ভাব প্রকাশ কৰোঁতে উচ্চাৰণ কৰা আটাইতকৈ ক্ষুদ্রতম খণ্ডটোকে ধ্বনি বোলা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ একেটা ধ্বনিয়ে অৱস্থান আৰু পৰিৱেশ ভেদে কিছু ধ্বনিগত পৰিৱর্তন হৈ ব্যৱহাৰ হয়। সেই সামান্য পৰিৱর্তিত ৰূপবোৰকে ধ্বনিটোৰ উপধ্বনি বোলা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৮ টা।

৪ নং প্রশ্নৰ উত্তৰ ঃ নহয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ অন্তঃস্থ ধ্বনি ৰ আৰু য়-অক ধৰি ২৩টা।



১.৯ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) বিশিষ্ট ধ্বনি কাক বোলে?

খ) / অ'/ ধ্বনিৰ উচ্চাৰণত জিভাখন কেনেকুৱা হৈ থাকে?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক — ধ্বনি আৰু আখৰৰ পার্থক্য, উপধ্বনি

প্রশ্ন ২ ঃ ধ্বনি মানে কি? ধ্বনিৰ লগত আখৰৰ সম্বন্ধ বিচাৰ কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া স্বৰধ্বনিৰ তালিকা এখন কৰি সিবোৰৰ সৈতে থকা আখৰৰ পার্থক্যবোৰ ফঁহিয়াই দেখুৱাওক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? জিভাৰ অংশ, উচ্চতা আৰু ওঁঠৰ আকৃতি অনুযায়ী অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰৰ এখন তালিকা যুগুত কৰক।

প্রশ্ন ৩ ঃ ব্যঞ্জনধ্বনি কাক বোলে? অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসাৰে সিবোৰৰ এখন তালিকা প্রস্তুত কৰক।

*** ***** ***